## পাঠ :৮

# অন্ধবিশ্বাস আৰু কু-সংস্কাৰ - জয়ন্ত মাধৱ বৰা

---

### ভাব বিষয়ক :

প্ৰশ্ন ১। চমু উত্তৰ দিয়া ।

( ক ) উৰাবাতৰি মানে কি ?

উত্তৰঃ  যিবোৰ সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয় , অথচ অজ্ঞতাৰ কাৰণে বা মানুহক উত্তেজিত কৰি তুলিবৰ কাৰণেই উদ্দেশ্য প্ৰণোদিতভাৱে প্ৰচাৰ কৰা হয় আৰু চিন্তাশূন্য , বিবেকশূন্য কিছু লোকে সেই বাতৰিকে সত্য বুলি বিশ্বাস কৰে , – সেয়াই হৈছে উৰাবাতৰি ।

( খ ) কু - সংস্কাৰ বুলিলে কি বুজা ?

উত্তৰঃ যিবোৰ নীতি - নিয়ম , ব্যৱস্থা , পৰম্পৰা এখন সুস্থ সমাজৰ পৰিপন্থী , সমাজৰ অগ্ৰগতিৰ গতিৰোধক হৈ থিয় দিয়ে , সেইবোৰেই কু - সংস্কা ।

( গ ) 'অন্ধবিশ্বাস , কুসংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা । ” — কথাষাৰ কোনে কৈছিল ?

উত্তৰঃ  'অন্ধবিশ্বাস , কুসংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা । ” — কথাষাৰ ড ° সৰ্বপল্লী ৰাধাকৃষ্ণণে কৈছিল ।

( ঘ ) কোনখন সন্ধিৰ পিছত আৰু কেতিয়া অসম ব্ৰিটিছৰ  অধীনলৈ যায় ?

উত্তৰঃ ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ পিছত অসম ব্ৰিটিছৰ  অধীনলৈ যায় ।

( ঙ ) অসমলৈ আহি শদিয়াৰ সেমেকা জলবায়ুত মিছনাৰীসকল কেনে ধৰণৰ ৰোগত আক্ৰান্ত হৈছিল ?

উত্তৰঃ কলেৰা ৰোগত আক্ৰান্ত হৈছিল ।

প্ৰশ্ন ২। অন্ধবিশ্বাস মানে কি ? অন্ধবিশ্বাসে সমাজত কেনেধৰণৰ সমস্যাৰ সৃষ্টি কৰিব পাৰে লিখা ।

উত্তৰঃ যিবোৰ বিশ্বাস বা ধাৰণা যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত নহয় , বিজ্ঞানে যিবোৰ বিশ্বাসক , ধাৰণাক , ঘটনাক অসত্য আৰু অমূলক বুলি প্ৰতিপন্ন কৰিছে , – সেইবোৰেই অন্ধবিশ্বাস ।

অন্ধবিশ্বাস আৰু কুসংস্কাৰে প্ৰেম , মমতা , মানৱতা আদি মানৱীয় মূল্যসমূহক আঘাত কৰি মানৱ সমাজ এখনক কলুষিত কৰে । জন জীৱনৰ সুস্থ জীৱন ধাৰণৰ ব্যৱস্থাটোক বিপৰ্যস্ত কৰি সমাজক অশান্ত আৰু অস্থিৰ কৰি তোলে ।

প্ৰশ্ন ৩। কি কি কাৰণত অন্ধবিশ্বাস , কু-সংস্কাৰৰ দ্বাৰা জনসাধাৰণ প্ৰভাৱিত হয় ?

উত্তৰঃ অন্ধবিশ্বাস আৰু কু - সংস্কাৰৰ দ্বাৰা জনসাধাৰণ প্ৰভাৱিত হোৱাৰ প্ৰধানকৈ সাতটা কাৰণ উল্লেখ কৰিছে । কাৰণকেইটা এনেধৰণৰ

প্ৰথম কাৰণ , মানুহৰ জ্ঞানৰ অভাৱ । শিক্ষাৰ অভাৱতকৈ জ্ঞানৰ অভাৱতহে মানুহ অন্ধবিশ্বাস , কু - সংস্কাৰৰ বশৱৰ্তী হয় । শিক্ষা লাভ কৰিলেও মানুহ অধ্যয়নশীল নহয় । বহুতে আবেগত অন্ধবিশ্বাস , কু - সংস্কাৰক বিশ্বাস কৰে । অধ্যয়নবিমুখিতাৰ কাৰণেই মানুহে আবেগক নিয়ন্ত্ৰণ কৰিব নোৱাৰে ।

দ্বিতীয় কাৰণটো হ'ল – যিকোনো কথা বা ঘটনাৰ বাবে মানুহৰ ইতিবাচক দৃষ্টিভংগীৰ অভাৱ । প্ৰায়বোৰ মানুহে কথাবোৰ , সমুখত ঘটা ঘটনাবোৰ প্ৰায়ে নেতিবাচক দৃষ্টিভংগীৰে চায় কাৰণে অন্ধবিশ্বাস , কু - সংস্কাৰৰ বশবৰ্তী হয় ।

তৃতীয় কাৰণ হ'ল , – দায়িত্বশীল মানুহ কিছুমানেও ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাৰ্থ সিদ্ধিৰ কাৰণে কেতিয়াবা সমাজৰ বাবে নেতিবাচক কাম কৰে । এনে কাৰ্য সমাজৰ বাবে কেতিয়াবা ভয়ংকৰ ক্ষতিকাৰক হৈ পৰে ।

চতুৰ্থ কাৰণ হ'ল — ভ্ৰমণৰ ফলত মনৰ পৰিধি বহল হয় , ভাব আৰু সাহিত্য - সংস্কৃতিৰ বিনিময় ঘটে । ইয়াৰ অভাৱৰ কাৰণেও মনৰ অন্ধবিশ্বাস , কু - সংস্কাৰ সমাজৰ পৰা আঁতৰ নহয় ।

পঞ্চমতে , – নিজ স্বাৰ্থ পূৰণৰ কাৰণেও কিছু লোকে জানি - শুনিও অসৎভাৱ লৈ মানুহৰ মাজত অন্ধবিশ্বাস , কু - সংস্কাৰৰ কথা প্ৰচাৰ কৰাত সাধাৰণ লোকে সেইবোৰ বিশ্বাস কৰাত সমাজত কু প্ৰভাৱ পৰে ।

ষষ্ঠ কাৰণটো হ'ল— যত্ন নকৰাকৈ কিছুমান লোকে থাউকতে ধন - টকা - পইচা লাভ কৰিব বিচৰাৰ উপৰিও ৰোগ আদিও ভাল কৰিব বিচৰা মনোভাব হ'ল— অন্ধবিশ্বাস , কু সংস্কাৰৰ কু প্ৰভাৱ ।

সপ্তম কাৰণটো হ'ল— যুক্তিবাদী মন আৰু বিজ্ঞান মনষ্কতাৰ অভাৱতো অন্ধবিশ্বাস , কু - সংস্কাৰে সমাজত বেয়া প্ৰভাৱ পেলায় ।

প্ৰশ্ন ৪। অন্ধবিশ্বাস , কুসংস্কাৰ আদি নিয়ন্ত্ৰণ কৰিবলৈ কেনেধৰণৰ আঁচনি গ্ৰহণ কৰিব পাৰি ?

উত্তৰঃ অন্ধবিশ্বাস , কু - সংস্কাৰ আদি নিয়ন্ত্ৰণ কৰিবলৈ সমাজত সজাগতা সৃষ্টি কৰাৰ প্ৰয়োজন , – ঘাইকৈ বিদ্যালয়ৰ পাঠ্যপুথিত এই বিষয়টো অন্তৰ্ভুক্ত কৰি ছাত্ৰ - ছাত্ৰীৰ মাজত সজাগতা আনিব পাৰিলে সমাজতো সজাগতা আহি এইবোৰ নিয়ন্ত্ৰিত হব ।

আনহাতে তথ্যচিত্ৰ বা তেনেধৰণৰ প্ৰচাৰ মাধ্যমৰ জৰিয়তেও এইবোৰৰ বিপক্ষে সমাজত সজাগতা আনিব পাৰি আৰু এইবোৰ নিয়ন্ত্ৰণ কৰিব পৰা যায় ।

প্ৰশ্ন ৫। 'ডাইনী', 'সোপাধৰা ' — এইবোৰ অন্ধবিশ্বাস । অন্ধবিশ্বাস বুলি জানিও কিছু লোকে এই বিষয় দুটাক লৈ উৰাবাতৰি প্ৰচাৰ কৰে আৰু বহু লোকে বিশ্বাস কৰিও লয় । ইয়াৰ কাৰণ কি কি বুলি ভাবা ?

উত্তৰঃ 'ডাইনী' বা 'সোপাধৰা'ৰ দৰে অন্ধবিশ্বাসৰ সুযোগ গ্ৰহণ কৰি এচাম স্বাৰ্থপৰ মানুহে হত্যাৰ দৰে অসামজিক আৰু অমানৱীয় কাৰ্য সমাধা কৰি আহিছে । সাধাৰণতে দেখা গৈছে সম্পত্তিৰ লোভত বা ওচৰ চুবুৰীয়া কাৰোবাৰ যদি উন্নতি হয় তেওঁৰ প্ৰতি ঈৰ্ষান্বিত হৈয়ো সেই বিশেষ মানুহঘৰৰ কাৰোবাক 'ডাইনী' বুলি অভিহিত কৰি অসৎ প্ৰবৃত্তিৰ মানুহে সামাজিক উৎপীড়ন চলায় । এনেদৰে স্বাৰ্থসিদ্ধিৰ বাবেই 'সোপাধৰা'ৰ অপপ্ৰচাৰ চলায় । কেতিয়াবা হত্যাৰ দৰে জঘন্য ঘটনাও সংঘটিত হয় ।

'ডাইনী ' অথবা 'সোপাধ' বিষয়টো সমাজৰ আবেগ - অনুভূতি আৰু ভুল বুজাবুজিৰ সাধাৰণ ঘটনা হিচাপে ৰেহাই দিয়াটো একেবাৰে উচিত নহয় । অন্ধ বিশ্বাস আৰু কু সংস্কাৰৰ বিৰুদ্ধে উদাসীনতাই স্বাৰ্থন্বেষী মানুহক উৎসাহিত কৰে ।

প্ৰশ্ন ৬। তোমালোকৰ অঞ্চলত প্ৰচলিত অন্ধবিশ্বাস , কু - সংস্কাৰ আদি তোমাৰ চকুত পৰিছে নেকি ? সেইবোৰ নিৰাময়ৰ বাবে তোমাৰ ফালৰ পৰা কি কি ব্যৱস্থা লবা— এই বিষয়ে এটি টোকা লিখা ।

উত্তৰঃ আমাৰ অঞ্চলত শিক্ষা - দীক্ষা লাভ কৰা , আনকি উচ্চপদত অধিষ্ঠিত তথা বিভিন্ন চাকৰি কৰি থকা ভালেমান লোক আছে যদিও এই অঞ্চল অন্ধবিশ্বাস , কু - সংস্কাৰৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব পৰা নাই । সাধাৰণ মানুহৰ মাজত জৰা - ফুকা কৰি , জাব - জৰি লৈ ৰোগ

ভাল কৰিব পৰা , বিয়াৰ দৰা কইনা আৰু তেওঁলোকৰ নিকটাত্মীয়ই জাব - জৰি লৈ বিপদৰ পৰা ৰক্ষা পাবলৈ বিচৰা , গ্ৰহৰ কু - দৃষ্টিৰ পৰা ৰক্ষা পাবলৈ বা ব্যৱসায় - বাণিজ্য , ভাগ্যোন্নতিৰ উদ্দেশ্যে বিভিন্ন পাথৰ ধাৰণ কৰা আদি অন্ধবিশ্বাস সমাজৰ পৰা আজিৰ এই বিজ্ঞানৰ চৰম উৎকৰ্ষৰ দিনতো আঁতৰা নাই ।

আনহাতে এওঁ উচ্চ জাতৰ , এওঁ নীচ জাতৰ , উচ্চ জাতৰ মানুহে নীচ জাতৰ ছোৱালী বিয়া কৰাব বা বিয়া দিব নাপায় , সম্পৰ্ক স্থাপন কৰিব নাপায় , তেনে বৈবাহিক সম্পৰ্ক কৰিলে সমাজচ্যুত কৰা বা এঘৰীয়া কৰা , জুই - পানী আলগ কৰা আদি কু - সংস্কাৰৰ পৰা এতিয়াও অঞ্চলৰ মানুহ মুক্ত হ'ব পৰা নাই ।

সেই অন্ধবিশ্বাস , কু - সংস্কাৰবোৰ নিৰাময়ৰ বাবে অঞ্চলৰ ঠায়ে ঠায়ে সজাগতা সভা পাতি ৰাইজৰ মনত থকা তথা তেনেবোৰ কাৰ্য কৰা মনোভাৱ আঁতৰ কৰিবলৈ আলোচনা বিলোচনা , মত বিনিময় আদি কৰি সজাগতা আনিব পৰা যায় । অন্ধবিশ্বাস , কুসংস্কাৰৰ ফলত সততে ঘটি থকা ঘটনাবোৰ , কুফলবোৰ সবিস্তাৰে খবৰ কাগজ , ৰেডিঅ ' , টি ভি আদিত প্ৰচাৰ হৈ থকা কথাবোৰ প্ৰতি অঞ্চলৰ মানুহ সকলৰ মনোযোগ আকৰ্ষণ কৰি তাৰ প্ৰতি সজাগ হ'বলৈ বুজাব পৰা যায় । আনহাতে এইবোৰৰ ওপৰত নাটক লিখি , অভিনয় কৰি চিত্ৰ প্ৰদৰ্শন কৰিও মানুহক ইয়াৰ কুফলৰ জ্ঞান দিব পৰা যায় ।

এনেধৰণেৰে ব্যৱস্থা ল'লে মানুহে লাহে লাহে কু - সংস্কাৰ আৰু অন্ধবিশ্বাসৰ প্ৰতি থকা বিশ্বাসৰ ভাব আঁতৰি যাব । শিক্ষণৰ লগে লগে প্ৰকৃত জ্ঞান লাভ হ’ব যদি এনেদৰে ব্যৱস্থা লব পৰা যায় ।

প্ৰশ্ন ৭। ব্যাখ্যা কৰা—

( ক ) অন্ধবিশ্বাস , কু-সংস্কাৰ পৃথিৱীৰ আটাইতকৈ গধুৰ বোজা ।

উত্তৰঃ উদ্ধৃত কথাফাকি প্ৰসিদ্ধ গল্পকাৰ , ঔপন্যাসিক জয়ন্ত মাধব বৰা ৰচিত “ অন্ধ । বিশ্বাস আৰু কুসংস্কাৰ ” প্ৰৱন্ধটিৰ অন্তৰ্গত ।

অন্ধবিশ্বাস , কু - সংস্কাৰে সমাজক কেনেদৰে প্ৰভাৱিত কৰি আহিছে— এই সম্পৰ্কে আলোচনা কৰিবলৈ গৈ প্ৰবন্ধৰ আৰম্ভণিতে ড ° সৰ্বপল্লী ৰাধাকৃষ্ণণৰ এই উক্তিষাৰি উল্লেখ কৰিছে ।

অন্ধবিশ্বাস আৰু কু - সংস্কাৰ বৰ্তমান সময়ত সমাজৰ কাৰণে এটা ডাঙৰ অভিশাপৰ দৰে হৈ পৰিছে । অন্ধবিশ্বাস আৰু কু - সংস্কাৰে প্ৰেম - মমতা , মানৱতা আদি মানৱীয় গুণসমূহ নাইকিয়া কৰি পেলাই সভ্য সমাজ এখনক কলুষিত কৰে । জনজীৱনৰ সুস্থ আৰু শান্ত সহজ - সৰল জীৱনধাৰণ ব্যৱস্থাটোক বিপৰ্যস্ত কৰি সমাজখনক অশান্ত আৰু অস্থিৰ , জটিল কৰি তোলে । বৰ্তমান সময়ত ই ইমানেই বেছি হৈ পৰিছে যে ইয়াৰ ফলত পৃথিৱীৰ প্ৰায়বোৰ

ঠাইতে নানান অঘটন , হত্যাকাণ্ড , আত্মহত্যা আদি হ’ব লাগিছে । এই কাৰণে ড ° সৰ্বপল্লী ৰাধাকৃষ্ণণে এনেদৰে মন্তব্য কৰিছিল ।

( থ ) সংস্কাৰ এক জীৱন পদ্ধতি ।

উত্তৰঃ উদ্ধৃত কথাফাকি প্ৰসিদ্ধ গল্পকাৰ , ঔপন্যাসিক জয়ন্ত মাধব বৰা ৰচিত “ অন্ধ বিশ্বাস আৰু কু - সংস্কাৰ ” প্ৰৱন্ধটিৰ অন্তৰ্গত ।

অন্ধবিশ্বাস , আৰু কু - সংস্কাৰ মুক্ত  জীৱনহে যে প্ৰকৃত জীৱন এই কথা প্ৰকাশ কৰিবলৈ যাওঁতে লেখকে এনেদৰে উল্লেখ কৰিছে ।

অন্ধবিশ্বাস আৰু কু - সংস্কাৰৰ কোনো বৈজ্ঞানিক সত্যতা নাই । অন্ধবিশ্বাস কু - সংস্কাৰে আবৰা জীৱন কেতিয়াও বিপদমুক্ত , সুখী জীৱন নহয় । প্ৰতি মুহূৰ্ততে ধন - জন হানি হোৱাৰ উপৰিও অপমানিত হোৱাৰ ভয় থাকে । অন্ধবিশ্বাস আৰু কু - সংস্কাৰ নথকা জীৱন সংস্কাৰ জীৱন । সংস্কাৰে মানুহৰ সভ্যতা সংস্কৃতিক নতুন চিন্তাৰে উজ্জীৱিত কৰি সমাজক সময়ৰ লগত শান্তি , সুখৰ জীৱন । সংস্কাৰেই মানুহৰ জীৱন পদ্ধতিক উন্নত কৰে , মানুহ হিচাপে জীয়াই থাকিবলৈ শিকায় । সংস্কাৰে মানুহৰ চিন্তাৰ দিগন্তক প্ৰসাৰিত কৰে ।

( গ ) মানুহ শিক্ষিত হৈছে , কিন্তু সেই অনুপাতে হৈছে অধ্যয়নবিমুখ ।

উত্তৰঃ উদ্ধৃত কথাফাকি প্ৰসিদ্ধ গল্পকাৰ , ঔপন্যাসিক জয়ন্ত মাধব বৰা ৰচিত “ অন্ধ বিশ্বাস আৰু কু - সংস্কাৰ ” প্ৰৱন্ধটিৰ অন্তৰ্গত ।

মানুহ শিক্ষিত হ'লেও অধ্যয়ন নহ'লে যে প্ৰকৃত জ্ঞান নহয় আৰু এই জ্ঞানৰ অভাৱতেই যে সমাজত অন্ধবিশ্বাস আৰু কু - সংস্কাৰে গা কৰি উঠিছে , এই কথা প্ৰকাশ কৰিবলৈকে লেখকে এনেদৰে উল্লেখ কৰিছে ।

মানুহ শিক্ষিত হৈছে , কিন্তু অধ্যয়নশীল নোহোৱাৰ কাৰণে বহুত কথা নজনাকৈ থাকি যায় , সেইবোৰৰ সম্পৰ্কে জ্ঞানৰ অভাৱ হয় । অধ্যয়নেহে মানুহক নজনা কথাৰ সম্ভেদ দিয়ে , জ্ঞান বঢ়ায় । মহাপুৰুষ শংকৰদেৱ আদিকে ধৰি কত জন মহান ব্যক্তিয়ে মানৱতাৰ মূল্যবোধ সম্পৰ্কে সৰলভাবে বুজাই অমূল্য গ্ৰন্থ ৰচনা কৰি থৈ গৈছে । সেইবোৰ অধ্যয়ন নকৰাৰ ফলতেই শিক্ষিত সমাজে মানবী মূল্যবোধ অনুভৱ কৰিব নোৱাৰে আৰু সমাজক অন্ধবিশ্বাস কু - সংস্কাৰে আবৰি ধৰি আছে , সমাজত বিশৃংখল পৰিবেশ সৃষ্টি হৈছে , অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হৈছে আৰু অমানৱীয় কাৰ্যকলাপ সংঘটিত হৈছে ।

## ভাষা বিষয়ক :

প্ৰশ্ন ৮। উদাহৰণ চাই বাকী কেইটা কৰা ।

উত্তৰঃ উদাহৰণ = মানৱীয় – অমানৱীয় ।

সজাগতা – অসজাগতা ।

সামাজিক – অসামাজিক ।

ৰাজনৈতিক – অৰাজনৈতিক ।

সাংবিধানিক – অসাংবিধানিক ।

প্ৰচাৰ – অপ্ৰচাৰ ।

প্ৰশ্ন ৯। বিপৰীতাৰ্থক বুজোৱা শব্দ লিখা ।

উত্তৰঃ ইতিবাচক – নেতিবাচক ।

সৎ – অসৎ ।

যোগাত্মক – বিয়োগাত্মক ।

সক্ষম – অক্ষম ।

উচিত – অনুচিত ।

অভিশাপ – আশীৰ্বাদ ।

প্ৰশ্ন ১০। পাঠত উল্লেখ থকা পাঁচটা যুৰীয়া শব্দ বিচাৰি উলিওৱা ।

উত্তৰঃ কু - সংস্কাৰ , জীৱন - পদ্ধতি , জীৱন - ধাৰণ , জাত - কুল , ভূত - প্ৰেত ।

প্ৰশ্ন ১১। বাক্য ৰচনা কৰা :

মৌলিক অধিকাৰ , অমানৱীয় কাৰ্য , প্ৰচাৰ মাধ্যম , সজাগতা সভা , স্বাৰ্থন্বেষী লোক আদিম স্তৰ ।

উত্তৰঃ মৌলিক অধিকাৰ :- নিৰ্বাচনত ভোট দিয়াটো আমাৰ মৌলিক অধিকাৰ ।

অমানৱীয় কাৰ্য :- মানুহক হিংসা কৰাটো অমানৱীয় কাৰ্য ।

প্ৰচাৰ মাধ্যম :- বাতৰি কাকত , ৰেডিঅ ' , টি ভি আদি একোটা প্ৰচাৰ মাধ্যম ।

সজাগতা সভা :- সজাগতা সভাৰ জৰিয়তে যিকোনো কথাৰ কাৰণে মানুহক সজাগ কৰিব পাৰি ।

স্বাৰ্থন্বেষী লোক :- স্বাৰ্থন্বেষী লোকে আনৰ উপকাৰৰ কথা চিন্তা কৰিব নোৱাৰে ।

আদিম স্তৰ :- আদিম স্তৰত মানুহবিলাক অসভ্য আছিল ।

## শব্দাৰ্থ আৰু টোকা

উত্তৰঃ অপদেৱত – অহিত বা অপকাৰ সধা দেৱতা ; ভূত - প্ৰেত ।

অবাঞ্চিত – যিটো বাঞ্চা কৰা নহয় ; বিচৰা নহয় ।

ইতিবাচক – সন্মতি সূচক ।

কলুষিত – কলংকিত ; কলংকযুক্ত ।

গতিৰোধক – গতিক বাধা দিয়া ব্যৱস্থা ।

গুজৱ – উৰাবাতৰি ।

দেহাবয়ব – দেহৰ গঠন ; দেহৰ অৱয়ব ।

নেতিবাচক – ইতিবাচকৰ বিপৰীত । অসন্মতি সূচক ।

প্ৰতিকূলতা – বাধা , বিপৰীত অৱস্থা ।

প্ৰমূল্য – মানদণ্ড ।

বন্দিত – যাক বন্দনা কৰা হয় ; পূজনীয় ।

বড়ি – ঔষধৰ সৰু - ঘূৰণীয়া গুটি ।

ভ্ৰান্ত বিশ্বাস – ভূল ধাৰণা ।

মনস্তাত্বিক – মনৰ প্ৰকৃতি সম্পৰ্কীয় ।